**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**-----------------------------**

oooooo

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চলত দখলকাৰীৰ কৱলত থকা প্ৰায় চাৰি হাজাৰ ২৪০ হেক্টৰ ভূমি ২০২৬ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত দখলমুক্ত কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে বন বিভাগৰ প্ৰধান মুখ্য বন সংৰক্ষকে গুৱাহাটীৰ সংৰক্ষিত বনাঞ্চলসমূহৰ বৃহৎ পৰিমাণৰ ভূমি দখলকাৰীৰ কৱলত আছে বুলি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণত প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনত উল্লেখ কৰা মতে কামৰূপ মহানগৰ জিলাৰ ১২ খন সংৰক্ষিত বনাঞ্চলৰ ৮ খনৰ বৃহৎ পৰিমাণৰ ভূমি অবৈধভাৱে দখল কৰা হৈছে। ইয়াৰ ভিতৰত ফটাশিল, দক্ষিণ কালাপাহাৰ, গোটানগৰ, হেঙেৰাবাৰী, গড়ভাঙা, মাৰাকদোলা, পশ্চিম এপ্ৰিকোলা আৰু মতাপাহাৰ সংৰক্ষিত বনাঞ্চল আছে। অৱশ্যে বন বিভাগে এই বনাঞ্চলসমূহত বাস কৰা থলুৱা লোকসকলক বাদ দি দখলিকৃত ভূমিৰ পৰিমাণ নিৰ্ধাৰণ কৰি ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণত সবিশেষ তথ্য দাখিল কৰিছে। ৰাজ্য চৰকাৰে উচ্ছেদৰ প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ কৰিছে। ইতিমধ্যে মালিগাঁৱৰ আদিংগিৰি পাহাৰত থকা ফটাশিল সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত অঞ্চলত উচ্ছেদৰ জাননী জাৰি কৰা হৈছে।

ooooooo

বি এছ এন এলে নুমলীগড় শোধনাগাৰ লিমিটেডৰ সৈতে দেশৰ প্ৰথমখন ফাইভ-জি কেপ্টিভ নন পাব্লিক নেটৱৰ্ক স্থাপনৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। এই পদক্ষেপ ডিজিটেল অসম আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে পৰিগণিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে।

ooooooo

প্ৰসিদ্ধ গীতিকাৰ আনন্দিৰাম দাসৰ পূণ্য তিথি উপলক্ষে আজি তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। বন কোঁৱৰ উপাধিৰে সন্মানিত দাসক বনগীতৰ স্ৰষ্টা বুলিও অভিহিত কৰা হৈছিল। অসমীয়া চলচ্চিত্ৰ বদন বৰফুকন, লাচিত বৰফুকন, পাৰঘাট আৰু ভক্ত প্ৰহ্লাদৰ বাবে গীত ৰচনা কৰা গীতিকাৰ গৰাকীয়ে বিৰহী আৰু সুৰ নিজৰা নামৰ দুখন প্ৰকাশিত গীতৰ সংকলনেৰে অসমীয়া গীতি সাহিত্যক চহকী কৰি থৈ গৈছে। ১৯৫৯ চনত গুৱাহাটীৰ প্ৰগতি শিল্পী সংঘই তেওঁক বনকোঁৱৰ আৰু নিউয়ৰ্ক প্লেয়াৰ্ছে বনগীতৰ ওজা উপাধিৰে সন্মানিত কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বনামধন্য শিল্পীগৰাকীৰ পূণ্য তিথি উপলক্ষে শ্ৰদ্ধা জ্ঞাপন কৰি দিয়া বাৰ্তাত অসমীয়া গীতি সাহিত্যক চহকী কৰি যোৱা গীতিকাৰ গৰাকীৰ গীতত মাটিৰ গোন্ধ পোৱা যায় বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বনকোঁৱৰ আনন্দিৰাম দাসৰ অৱদানে অসমীয়া গীতি সাহিত্য তথা সংগীত জগতক অনন্য মাত্ৰা প্ৰদান কৰি গৈছে বুলি মন্তব্য কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ উদ্যোগত অহা ৮ আগষ্টত অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমা উদ্যাপন কৰাৰ উদ্দেশ্যে যুৱবাণী শাখাৰ দ্বাৰা এখন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'আকাশবাণীৰ ৯০ বছৰ' এই কুইজ প্ৰতিযোগিতাত আকাশবাণীৰ প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্ন থাকিব। প্ৰতিযোগিতাৰ প্ৰতিটো দলত দুজনকৈ সদস্য থাকিব। সেইদিনাই দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা, ঘটনা-পৰিঘটনাক সামৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। ৮ আগষ্টৰ বিয়লি চাৰি বজাত শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অ'ডিচনত উত্তীৰ্ণ হোৱাসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। সবিশেষ জানিবলৈ আকাশবাণী গুৱাহাটীৰ ফে'চবুক পেজ এয়াৰ গুৱাহাটী চাব পাৰে। অথবা আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সৈতে যোগাযোগ কৰিব পাৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং চাৰিআলিৰ নৱনিৰ্মিত উৰণ সেতুৰ ওপৰত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন লোক নিহত হয়। নিহত লোকদুজন খোৱাং চাহ বাগিচাৰ গাড়ীচালক প্ৰণৱ দাস আৰু মণিপথাৰ নিবাসী ৰাহুল পাটৰ বুলি চিনাক্ত কৰা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে বলবমলৈ যাবৰ বাবে নৱনিৰ্মিত উৰণ সেতুৰ কাষত ৰখাই থোৱা দুখন বাহনক গুৱাহাটীৰ পৰা যোৱা এখন নৈশ বাছে খুন্দিওৱাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত আন ছজন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। উল্লেখযোগ্য যে দুৰ্ঘটনা সংঘটিত বাহন দুখনত শিশুসহ ১৩ জন যাত্ৰী আছিল।

০০০০০০০

শাস্ত্ৰীয় সংগীতজ্ঞ, বিশিষ্ট বেহেলাবাদক, অৱসৰপ্ৰাপ্ত শিক্ষক সত্যকৃষ্ণ মিশ্ৰৰ আজি পুৱা বৰপেটাৰ গলিয়াহাটীৰ নিজ বাসগৃহত দেহাৱসান ঘটে। বৰপেটাৰ সমাজ জীৱনৰ অভিভাৱক স্বৰূপ মিশ্ৰৰ মৃত্যুৰ সময়ত বয়স হৈছিল ১০০ বছৰ। ১৯২৬ চনত বৰপেটাৰ এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰা মিশ্ৰ সৰুৰেপৰা সংগীত চৰ্চাত নিমগ্ন আছিল। এগৰাকী ফুটবল খেলুৱৈ আৰু অভিনেতা হিচাপে দক্ষতা থকা মিশ্ৰ বৰপেটা বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথমগৰাকী অধ্যক্ষ আছিল। দেশৰ কেইবাখনো ৰাজ্যৰ আগশাৰীৰ শাস্ত্ৰীয় সংগীতানুষ্ঠানত বেহেলা বাদন পৰিৱেশন কৰি তেওঁ দৰ্শকক আপ্লুত কৰিছিল। তেওঁৰ মৃত্যুত জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**